**গৌহাটী উচ্চ ন্যায়ালয়**

**শিলচৰ পীঠ**

(ন্যায়াধীশ ইন্দিৰা শ্বাহ)

বিনোদ কুমাৰ বাৱৰী

বনাম

ৱালি মাৰ্বানিয়াং আৰু অন্যান্য

**দেৱানী পুনৰীক্ষণ (আবেদন) নং ১১(এছ.এইচ.),২০১২**

**ৰায়দানৰ তাৰিখ– ২২জুন, ২০১২**

ন্যায়াধীশ শ্ৰীমতি ইন্দিৰা শ্বাহে ন্যায়ালয়ৰ ৰায়দান দিছিল– মই আবেদনকাৰীৰ হৈ বিজ্ঞ অধিবক্তা শ্ৰী এছ. জিণ্ডাল আৰু প্ৰতিবাদীৰ হৈ জ্যেষ্ঠ অধিবক্তা শ্ৰী এইচ. এছ. থাংকিউ আৰু তেওঁৰ সহযোগী অধিবক্তা শ্ৰী এন. মজিকাৰ যুক্তিসমূহ শুনিছো।

২. বিবিধ গোচৰ নং ৯ (টি) ২০০৭-ত ৰি-ভয় জিলাৰ উপায়ুক্তৰ বিজ্ঞ সহকাৰীয়ে ২.৬.২০১১ তাৰিখে জাৰি কৰা আদেশৰ বিৰুদ্ধে এই পুনৰীক্ষণ আবেদন দাখিল কৰা হৈছে। প্ৰতিবাদকাৰীসকলে তেওঁলোকৰ মালিকীস্বত্ব আৰু বিবাদিত মাটিৰ শান্তিপূৰ্ণ দখলত হস্তক্ষেপ কৰিব নোৱাৰে বুলি ঘোষণা কৰাৰ বাবে এই গোচৰৰ আবেদনকাৰীয়ে গোচৰ তৰে আৰু স্থায়ী নিষেধাজ্ঞাৰ বাবে অনুৰোধ জনায়। অন্তৰ্বৰ্তীকালীন নিষেধাজ্ঞাৰ বাবেও আবেদন দাখিল কৰা হয়। বিচাৰ আদালতে অন্তৰ্বৰ্তীকালীন নিষেধাজ্ঞা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰাৰ বাবে আবেদনকাৰীয়ে আদালতত এই আদেশক প্ৰত্যাহ্বান জনায় আৰু এই আদালতে ৪.১১.২০১০ তাৰিখৰ আদেশৰ ভিত্তিত বিচাৰ আদালতক পক্ষসমূহৰ আবেদন আৰু অন্যান্য সামগ্ৰীৰ ভিত্তিত

শুনানি গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। বিদ্বান বিচাৰ আদালতে দুয়োপক্ষৰ শুনানি গ্ৰহণ কৰাৰ পিছত অন্তৰ্বৰ্তীকালীন নিষেধাজ্ঞা প্ৰদানৰ বাবে কৰা প্ৰাৰ্থনা নাকচ কৰে। আবেদনকাৰীয়ে খাচী আৰু জয়ন্তীয়া পাহাৰত ন্যায় আৰু আৰক্ষী প্ৰশাসন নিয়ম, ১৯৩৭-ৰ নিয়ম ৩৬ এ-ৰ অধীনত এই আদেশক প্ৰত্যাহ্বান জনাইছে।

৩. প্ৰতিবাদীসকলে তেওঁলোকৰ শপতনামাত পুনৰীক্ষণ আবেদনখনৰ ৰক্ষণাবেক্ষণযোগ্যতাৰ বিৰুদ্ধে প্ৰাথমিক আপত্তি উত্থাপন কৰিছে। প্ৰতিবাদীসকলৰ মতে ইয়াৰ বাবে সঠিক প্ৰতিকাৰ হ'ল অতিৰিক্ত উপাযুক্তৰ সন্মুখত আপীল দাখিল কৰা, যিখনেই হৈছে আপীল আদালত। তদুপৰি, প্ৰতিবাদীসকলৰ এজন অৰ্থাৎ, প্ৰতিবাদী নং ২-য়ে একেটা আদেশৰ বিৰুদ্ধে অতিৰিক্ত উপাযুক্ত, নংপোৰ আদালতত দেৱানী পুনৰীক্ষণ নং ২/২০১১ দাখিল কৰিছে। ইয়াৰ উপৰিও, বৰ্তমানৰ পুনৰীক্ষণৰ আবেদনখন পলম বুলি গণ্য কৰা হৈছে কাৰণ বিবাদিত আদেশটো ২০১১ চনৰ ২ জুনত জাৰি কৰা হৈছিল আৰু সময়সীমা বৃদ্ধিৰ অনুৰোধ নকৰাকৈ ২০১২ চনৰ এপ্ৰিল মাহত পুনৰীক্ষণ দাখিল কৰা হৈছিল। আদেশৰ প্ৰমাণিত প্ৰতিলিপি ৭-½ মাহৰ পিছত দিয়া হৈছে বুলি আবেদনকাৰীয়ে কৰা বিতৰ্ক সম্পূৰ্ণ ভিত্তিহীন। আবেদনকাৰী প্ৰতিবাদীজন অজনজাতীয় আৰু অজনজাতীয় ব্যক্তিৰ মাজত বিবাদ হ'লে খাচী আৰু জয়ন্তীয়া পাহাৰৰ ন্যায় আৰু আৰক্ষী প্ৰশাসনৰ নিয়ম, ১৯৩৭-ৰ নিয়ম ৪১ৰ বিধান অনুসৰি সীমাবদ্ধতা আইনখনৰ নীতি মানি চলিব লাগে।

৪. আবেদনকাৰীৰ হৈ বিজ্ঞ অধিবক্তাই দাখিল কৰিছে যে যদিও নিয়ম ৩৬এ-ত আপীলৰ প্ৰতিকাৰৰ ব্যৱস্থা আছে, চি.পি.চি.ৰ ১১৫ নং ধাৰাৰ বিপৰীতে, পুনৰীক্ষণৰ প্ৰতিকাৰ ব্যৱহাৰ কৰাৰ বাবে এয়া কোনো বাধা নহয়। তদুপৰি, ইয়াৰ পূৰ্বে প্ৰতিবাদীয়ে নিজেই উপাযুক্তক সহকাৰীয়ে দিয়া আদেশৰ বিৰোধিতা কৰি এই

আদালতত পুনৰীক্ষণ আবেদন দাখিল কৰিছিল। আন এজন বাদীয়ে দাখিল কৰা পুনৰীক্ষণত আবেদনকাৰীক পক্ষ হিচাপে লোৱা হোৱা নাই। উপায়ুক্তৰ সন্মুখত উক্ত পুনৰীক্ষণ এতিয়াও স্বীকাৰ কৰা হোৱা নাই আৰু পলমক ক্ষমা কৰাৰ পিছতহে বিবেচনা কৰিব পৰা যাব। সেইবাবেই বৰ্তমান কোনো বিচাৰধীন আপীল বা পুনৰীক্ষণ নাই। একেটা বিবাদিত আদেশৰ বিৰুদ্ধে বিভিন্ন বিবাদীয়ে একাধিক প্ৰত্যাহ্বান জনোৱাটো অনুমোদিত। নিয়মসমূহৰ অন্তৰ্গত নিয়ম ৩৬এ-ৰ অধীনত সীমাবদ্ধতাৰ আইন প্ৰযোজ্য নহয়। তদুপৰি, আমি সীমাবদ্ধতাৰ আইন প্ৰযোজ্য বুলি ধৰি ল'লেও আবেদনকাৰীয়ে দাখিল কৰা আবেদনখন অনুমোদিত সময়সীমাৰ বাহিৰত নহয়।

৫. আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই *শ্ৰী মেডেনকাবা বনাম আৰ. টেকাটেৰ্নজেন আও* [১] গোচৰৰ উদ্ধৃতি দিছে, য'ত, যুক্তি দৰ্শোৱা হৈছিল যে সিদ্ধান্তৰ প্ৰতিলিপি লাভৰ বাবে প্ৰয়োজনীয় সময় বাদ দি সিদ্ধান্ত লোৱাৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত আপীল দাখিল কৰিব লাগিব যদিও পুনৰীক্ষণৰ বাবে কোনো সীমাবদ্ধতা নিৰ্ধাৰণ কৰা হোৱা নাই। আপীলৰ সময়সীমা গণনা কৰিবলৈ, সময়সীমাৰ গণনা আৰম্ভ হয় উল্লেখ কৰা ধৰণে-; (খ) যিদিনা ৰায়দান কৰা হৈছিল; (গ) ডিক্ৰী, শাস্তি বা আদেশৰ প্ৰতিলিপি লাভৰ বাবে প্ৰয়োজন হোৱা সময়; (ঘ) ৰায়দানৰ প্ৰতিলিপি লাভৰ বাবে প্ৰয়োজনীয় সময় আৰু একেটা ৰায়দানৰে দফা-১৫ত লক্ষ্য কৰা হৈছে যে 'যিকোনো অধীনস্থ বিষয়া বা বিষয়াৰ যিকোনো সিদ্ধান্তক প্ৰত্যাহ্বান জনাবলৈ উচ্চ ন্যায়ালয়ৰ কাষ চাপিব পাৰিলেও যদিহে উপযুক্তভাৱে আপীল দাখিল কৰা হোৱা নাই, তেন্তে গোচৰটো বিবেচনা কৰা হ'ব নে নহয় সেয়া আদালতৰ বিবেচনাধীন। এই নিৰ্ণয় লওঁতে আদালতে পক্ষসমূহৰ অৱস্থা, জড়িত হৈ থকা বিষয়টো, বিষয়বস্তুৰ তাৎপৰ্য্য, আবেদনৰ

সময়, আপীল দাখিল নকৰাৰ যুক্তি, আৰু অন্যান্য প্ৰাসংগিক কাৰকসমূহ বিবেচনা কৰিবলগীয়া হ’ব পাৰে।

৬. *ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু স্নায়ু বিজ্ঞান প্ৰতিষ্ঠান বনাম পৰমেশ্বৰ* [২] গোচৰৰ উদ্ধৃতি দি আবেদনকাৰীৰ বিজ্ঞ অধিবক্তাই দাবী কৰিছে যে একেটা বিবাদিত আদেশৰ বিৰুদ্ধে একাধিক প্ৰত্যাহ্বান অনুমোদিত। উল্লিখিত গোচৰটোত চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ আদেশত অসন্তুষ্ট হোৱা প্ৰতিবাদীয়ে শ্ৰম আদালতৰ কাষ চাপিছিল, যিয়ে পৰৱৰ্তী সময়ত অপসাৰণৰ আদেশ বাতিল কৰিবলৈ ৰায়দান কৰিছিল। অসন্তুষ্ট হৈ আপীলকাৰীয়ে লেখ আবেদন দাখিল কৰে আৰু ইয়াৰ ফলত হোৱা লোকচান আদায়ৰ বাবে দেৱানী গোচৰো দাখিল কৰে। এই দুটা কাৰ্য্যবিধি পৃথক পৃথক বিষয়ৰ সৈতে জড়িত বুলি যুক্তি দৰ্শোৱা হয়। দুয়োটা কাৰ্য্যবিধিৰ বিষয়বস্তু সম্পূৰ্ণ সুকীয়া আৰু পৃথক। এনে পৰিস্থিতিত চি.পি.চি.ৰ ১০ নং ধাৰা গোচৰৰ তথ্যৰ ক্ষেত্ৰত কোনোধৰণে প্ৰযোজ্য নহয়।

৭. উপায়ুক্তৰ ওচৰত কৰা আবেদন আৰু এই আদালতৰ পুনৰীক্ষণ আবেদনত দাখিল কৰা ভিত্তিসমূহ একেই। এই পুনৰীক্ষণ আবেদনত আবেদনকাৰী আৰু উপায়ুক্তৰ সন্মুখত আপীল কৰাজন যৌথ হিন্দু পৰিয়ালৰ সদস্যৰ ভাতৃ। তেওঁলোকে মাননীয় বিচাৰ আদালতৰ আদেশক প্ৰত্যাহ্বান জনাইছে আৰু উপায়ুক্তৰ ওচৰত আপীল কৰা বিষয়টো আৰু পুনৰীক্ষণ আবেদনত থকা বিষয়টো একে। *শ্ৰী মেডেনকাবা* (উপৰোক্ত)ত থকা নিয়ম আৰু পৰ্যবেক্ষণ অনুসৰি অধীনস্থ বিষয়াসকলে লোৱা সিদ্ধান্তক প্ৰত্যাহ্বান জনাবলৈ উচ্চ ন্যায়ালয় আৰু উপায়ুক্ত দুয়োৰে কাষ কৰিব পাৰি। যেতিয়া কোনো আপীল দাখিল কৰা হোৱা নাই তেতিয়া বিবেচনা কৰিব নে নকৰে সেইটো আদালতৰ বিবেচনাৰ ভিতৰত পৰে। এই ক্ষেত্ৰত নিঃসন্দেহে আদেশৰ বিৰুদ্ধে

আপীল কৰিব পাৰি। বাদীসকলৰ মাজৰ এজনে আপীল কৰিছে আৰু একে সময়তে আন এজন বাদীয়েও পুনৰীক্ষণ আবেদন দাখিল কৰিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পুনৰীক্ষণ আবেদনখন গ্ৰহণ কৰিব নোৱাৰি।

৮. খাচী আৰু জয়ন্তীয়া পাহাৰৰ ন্যায় আৰু আৰক্ষী প্ৰশাসন, ১৯৩৭-ৰ ৩৬-এ নিয়মে উষ্চ ন্যায়ালয় বা উপায়ুক্তক কোনো অধীনস্থ বিষয়াই সিদ্ধান্ত লোৱা যিকোনো গোচৰৰ ৰেকৰ্ড বিচাৰি উলিয়াবলৈ আৰু উপযুক্ত বুলি ভবা আদেশ জাৰি কৰাৰ কৰ্তৃত্ব প্ৰদান কৰে। নিয়ম ৩৬-এ অনুসৰি উষ্চ ন্যায়ালয় আৰু উপায়ুক্ত দুয়োৰে সংশোধনী আবেদনখন বিবেচনা কৰাৰ সমান্তৰাল কৰ্তৃত্ব আছিল। কিন্তু দেৱানী কাৰ্যবিধি আইনৰ ১১৫ নং ধাৰাত পুনৰীক্ষণ আবেদন গ্ৰহণ কৰাৰ অধিকাৰ কেৱল উষ্চ ন্যায়ালয়ৰহে আছে আৰু চি.পি.চি.ৰ ১১৫ নং ধাৰা অনুসৰি যিকোনো আদেশৰ বিৰুদ্ধে আবেদন গ্ৰহণ কৰিব পাৰি, য'ত কোনো আপীল আছে।

৯. স্বীকাৰ্য্য যে এই গোচৰত এজন বাদীয়ে উপায়ুক্তৰ আগত বিবাদিত আদেশৰ বিৰুদ্ধে আপীল দাখিল কৰিছে। নিষেধাজ্ঞা আদেশৰ বাবে আপীল সম্ভৱ। চি.পি.চি.ৰ ১১৫ নং ধাৰা অনুসৰি, উষ্চ ন্যায়ালয়ে অধীনস্থ আদালতে সিদ্ধান্ত লোৱা গোচৰৰ ৰেকৰ্ড বিচাৰিব পাৰে আৰু যেতিয়া আপীলৰ কোনো পথ নাথাকে যদিহে এনে লাগে যে: (ক) আদালতে নিজৰ আইনী কৰ্তৃত্ব অতিক্ৰম কৰিলে, (খ) আদালতৰ ওপৰত ন্যস্ত সঠিক কৰ্তৃত্ব ই ব্যৱহাৰ কৰা নাছিল, বা (গ) ই নিজৰ কৰ্তৃত্ব প্ৰয়োগ কৰাত অবৈধভাৱে বা উল্লেখযোগ্য অনিয়মৰ সৈতে কাম কৰিছিল।

১০. আবেদনকাৰীয়ে যুক্তি দিয়া নাই যে বিচাৰ আদালতে নিজৰ আইনী কৰ্তৃত্ব অতিক্ৰম কৰিলে বা সঠিক কৰ্তৃত্ব ব্যৱহাৰ কৰাত ব্যৰ্থ হ'ল, বিচাৰ আদালতে দুয়োপক্ষৰ দাবী ভালদৰে পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হয় যে বিৰোধী দাবীৰ

বাবে দখল নিৰ্ণয় কৰাটো প্ৰত্যাহ্বানজনক, যাৰ বাবে প্ৰমাণৰ প্ৰয়োজন। ইয়াৰ উপৰিও লক্ষ্য কৰা হৈছিল যে বিবাদিত মাটিখিনি খালী, আৰু যদি নিষেধাজ্ঞা অস্বীকাৰ কৰা হয়, তেন্তে বাদীয়ে অপূৰণীয় ক্ষতিৰ সন্মুখীন নহ'ব, যাৰ বাবে অস্থায়ী নিষেধাজ্ঞাৰ অনুৰোধ নাকচ কৰা হৈছিল।

১১. বিবাদিত আদেশৰ পৰা অন্তৰ্বৰ্তীকালীন নিষেধাজ্ঞাৰ অনুৰোধ নাকচ কৰাৰ বাবে বিচাৰ আদালতে লোৱা সিদ্ধান্ত ত্ৰুটিপূৰ্ণ বা অনুচিত নহয়।

১২. সেই অনুসৰি এই পুনৰীক্ষণ আবেদন যোগ্যতাৰ অভাৱত খাৰিজ কৰা হয়।

১৩. পুনৰীক্ষণ আবেদন খাৰিজ কৰা হৈছে।

---

১. (১৯৮৭) ১ জি.এল.আৰ. ১৫৬।

২. ২০০৫ (২৫) এ.আই.চি. ৩৫(এচ.চি.): (২০০৫) ২ এচ.চি.চি. ২৫৬ : এ.আই.আৰ. ২০০৫ এচ.চি. ২৪২।

অনুবাদক: মায়াশ্ৰী মহন্ত

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”